# GOVERNMENT OF ASSAM
# SCIENCE, TECHNOLOGY & CLIMATE CHANGE DEPARTMENT
# JANATA BHAWAN
# DISPUR :::::: GUWAHATI

e No. 441903/15 Dated Dispur, the 7th of February, 2024

From : Joint Secretary to the Govt. of Assam
Science, Technology & Climate Department
Dispur, Guwahati-6

To : The Principal Secretary
Assam Legislative Assembly
Dispur, Guwahati -6

Sub : Reply of Assembly Unstarred Question No. 140 to be asked by Shri Rekibuddin Ahmed, MLA.

Sir,

With reference to the subject cited above, I am directed to submit herewith 250 copies of reply to the Assembly Unstarred Question No. 140 to be asked by Shri Rekibuddin Ahmed, Hon'ble MLA for sitting on 09/02/2024 for favour of your needful action.

The reply is uploaded in URL - www.alaesession.org.

Enclos: 250 sets of reply.

Yours faithfully,

Joint Secretary to the Govt. of Assam
Science, Technology & Climate Change Department

ঃ অসম বিধান সভা ঃ

তৰাবিহীন প্ৰশ্ন নং ঃ ১৪০

**বিষয়ঃ অসমৰ জলবায়ু পৰিবৰ্তন।**

**বিধায়কৰ নাম ঃ শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ**

**উত্তৰ দিয়াৰ তাৰিখ ঃ ০৯/০২/২০২৪**

মাননীয় প্ৰযুক্তি তথা জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

**প্ৰশ্ন**

(ক) অসমত জলবায়ু পৰিবৰ্তন হৈছে নেকি? যদি হৈছে কেনেধৰণৰ পৰিবৰ্তন হৈছে,জনাব।

(খ) জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱ কোনবোৰ ক্ষেত্ৰত ধৰা পৰিছে? .

(গ) অসমত বৰষুণৰ মাত্ৰা কেতিয়াবা প্ৰয়োজনতকৈ অধিক কম আৰু কেতিয়াবা অধিক বেছি হোৱাৰ তথ্য আছে নেকি? যদি আছে, তেনেহ'লে ২০০১ চনৰ পৰা এতিয়ালৈকে জিলাভিত্তিত তথ্য দাখিল কৰিব। বৰষুণৰ স্বাভাৱিক আৰু অস্বাভাৱিক মাত্ৰাৰ তথ্য দাখিল কৰিব।

(ঘ) অসমত পূৰ্বতকৈ উত্তাপ বৃদ্ধিৰ তথ্য আছে নেকি? যদি আছে , বিতংকৈ জনাব।

(ঙ) শেহতীয়াকৈ অসমত বহু জিলাত খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে নেকি? যদি হৈছে, কোন কোন জিলাত এনে হৈছে জনাব। পূৰ্বৰে পৰা এতিয়ালৈ কোন জিলাক কেতিয়া খৰাং পীড়িত জিলা হিচাপে ঘোষণা কৰা হৈছিল বিতংকৈ জনাব।

(চ) জলবায়ু পৰিবৰ্তন ৰোধৰ বাবে অসম চৰকাৰে এই পৰ্যন্ত কি কি ব্যৱস্থা বা পদক্ষেপ হাতত লৈছে, বিতংকৈ জনাব।

**উত্তৰ**

**মাননীয় বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত কেশৱ মহন্ত দেৱৰ উত্তৰঃ**

(ক)হয়, সমগ্ৰ পৃথিৱীৰ লগতে অসমতো জলবায়ু পৰিৱৰ্তন যেনে অস্বাভাৱিক বৃষ্টিপাত, উষ্ণতাৰ তাৰতম্য দেখা গৈছে। ১৯৯০ চনৰ পৰা ২০১৯ চনৰ উষ্ণতাৰ তথ্য বিশ্লেষণ কৰি দেখা গৈছে যে অসমৰ বছৰেকীয়া গড় সৰ্বাধিক আৰু সৰ্বনিম্ন উষ্ণতা ক্ৰমান্বয়ে বাঢ়ি গৈছে। এই সময়ছোৱাত প্ৰত্যেক বছৰে ০.০৪৯° চেলচিয়াচকৈ সৰ্বাধিক উষ্ণতাৰ বৃদ্ধি হৈছে। আনহাতে সৰ্বনিম্ন উষ্ণতা ০.০১৩° চেলচিয়াচকৈ বাঢ়িছে। ইফালে গড় দৈনন্দিন উষ্ণতাৰ মাত্ৰাও (range) বছৰি ০.০৩৭° চেলচিয়াছ বাঢ়ি গৈছে। আকৌ বাৰ্ষিক বৃষ্টিপাত প্ৰত্যেক বছৰে প্ৰায় ১০.৭৭ মিলিমিটাৰকৈ ১৯৯০-২০১৯ কালছোৱাত হ্ৰাস পাইছে। এই সময়ছোৱাত ৩৩ (বৰ্তমান ৩৫) খন জিলাৰ ২৬ খন জিলাতেই বাৰিষা (monsoon) কালত বৃষ্টিপাত কমি আহিছে।

ভাৰতৰ বতৰ বিজ্ঞান (IMD) বিভাগৰ তথ্যমতে ২০২১ চনৰ ১ জুনৰ পৰা ২৮ জুলাইলৈকে ৰাজ্যখনত ২১ শতাংশ কম বৃষ্টিপাত হৈছে। অসমত ৬২৫.৩ মি.মি. হে বৰষুণ দিছে যিটো গড় ৭৯২.৩ মিমিতকৈ বহুত কম। উপৰোক্ত তথ্যখিনিয়ে ইয়াকে প্ৰমাণ কৰে যে গোলকীয় উষ্ণতাৰ ফলত বা জলবায়ু পৰিৱৰ্তনে উষ্ণতা আৰু বৃষ্টিপাতৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। ইয়াৰ ফলতেই শীতকালীন দিন কমি আহিছে, অস্বাভাৱিক গ্ৰীষ্ম প্ৰবাহ, খৰাং, অতিমাত্ৰা অনিয়মিত বানপানীয়ে ৰাইজৰ জনজীৱন কষ্টকৰ কৰি তুলিছে। ১৯৬৯-২০১৯ সময়ত বৰপেটা, দৰং, ধেমাজি, ধুবুৰী, ডিব্ৰুগড়,

গোৱালপাৰা, যোৰহাট, কামৰূপ, লক্ষিমপুৰ, মৰিগাওঁ, নগাওঁ, নলবাৰী, শিৱসাগৰ আৰু শোণিতপুৰ জিলাত বানপানীৰ ঘটনা ৰাজ্যখনৰ গড় বানপানীৰ ঘটনাতকৈ অধিক হোৱা পৰিলক্ষিত হৈছে। এই একে সময়তে কাছাৰ, ধুবুৰী, গোলাঘাট, শিৱসাগৰ আৰু শোণিতপুৰ জিলাত অস্বাভাৱিক বজ্রপাতৰ ঘটনা স্বাভাৱিক গড় ঘটনাটকৈ অধিক হোৱা দেখা গৈছে। আকৌ এই সময়ছোৱাত গ্ৰীষ্ম প্ৰৱাহে হাইলাকান্দি, কামৰূপ, কামৰূপ (ম), নলবাৰী, নগাওঁ, শিৱসাগৰ আৰু শোণিতপুৰ জিলাৰ লগতে ওচৰ পাজৰ অঞ্চলৰ ৰাইজক জীয়াতু ভোগাইছে।

Source: Draft report Assam State Action Plan on Climate Change, 2021-2030 (2.0)

(খ) জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱসমূহ ৰাজ্যখনৰ বিভিন্ন অঞ্চলত নিম্ন লিখিত ক্ষেত্ৰসমূহত পৰিলক্ষিত হৈছে-

(১) কৃষি (লগতে পশুপালন আৰু মৎস্যপালন)

(২) জলসম্পদ

(৩) বন (লগতে জীৱবৈচিত্ৰ)

(৪) শক্তি

(৫) গ্ৰাম্য উন্নয়ন

(৬) নগৰ উন্নয়ন

(৭) আৰ্থসামাজিক উন্নয়ন (গ্ৰাম্য আৰু নগৰ উন্নয়ন)

(৮) দুৰ্য্যোগ প্ৰশমন

(গ) অসমত বৰষুণৰ মাত্ৰাৰ ধাৰাৰ বিষয়ে প্ৰশ্ন নং 'ক' উত্তৰত ইতিমধ্যে উল্লেখ কৰা হৈছে। ২০০১ চনৰ পৰা এতিয়ালৈকে জিলাভিত্তিক বৰষুণৰ তথ্য নাই।

(ঘ)অসমৰ উত্তাপ (উষ্ণতা) বৃদ্ধিৰ বিষয়ে ইতিমধ্যে প্ৰশ্ন নং 'ক' ৰ উত্তৰত উল্লেখ কৰা আছে। বিতং তথ্য (জিলাভিত্তিক) উপলব্ধ নাই।

(ঙ) জলবায়ু পৰিৱৰ্তনৰ বাবে অসমৰ কোনো কোনো অঞ্চলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ হাতত অসমৰ খৰাং পৰিস্থিতিৰ বিষয়ে তথ্য নাই। বিভাগৰ হাতত খৰাং পিড়িত জিলা ঘোষণা কৰাৰ ক্ষমতা দিয়া হোৱা নাই।

(চ) জলবায়ু পৰিৱৰ্তন এটা সমগ্ৰ বিশ্বব্যাপি ঘটি থকা এটা পৰিঘটনা। এইক্ষেত্ৰত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে কিছু কাম কৰি আছে।

পৰিষদে ইয়াৰ জলবায়ু কোষৰ যোগেদি অসমত জলবায়ু পৰিৱৰ্তনৰ লগত মোকাবিলা কৰিবলৈ কিছু কাম কৰি আহিছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তি বিভাগক বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ হিচাপে নামাকৰণ (চেপ্তেম্বৰ, ২০২১) কৰাৰ পিছত পৰিষদৰ কামৰ পৰিসৰ বৃদ্ধি পায়।

জলবায়ু পৰিৱৰ্তনৰ সুকীয়া সঞ্চালকালয় প্ৰতিষ্ঠাৰ বাবে বিভাগীয়ভাৱে প্ৰচেষ্টা চলাই থকা হৈছে। পৰিষদে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা অনাত গুৰুত্ব দিছে। এই ক্ষেত্ৰত বিভিন্ন শিক্ষানুষ্ঠান, বেচৰকাৰী সংগঠন আৰু চৰকাৰী বিভাগসমূহৰ মাজত সজাগতা আনিবলৈ পৰিৱেশ অনুকূল কাৰ্য্য যেনে সজাগতা সভা, গছপুলি ৰোপণ, পৰিৱেশ অনুকূল জীৱিকা আদিত গুৰুত্ব দিয়া হৈছে।

এতিয়ালৈকে ৪০ খন মহাবিদ্যালয়ত পৰিৱেশ আৰু জলবায়ু কোষ গঠন কৰি সজাগতা সভা, গছপুলি ৰোপণ, কেঁচুসাৰ উৎপাদনৰ প্ৰশিক্ষণৰ দিয়া হৈছে। সজাগতাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ ‘প্ৰাতিস্থানিক বৃক্ষৰোপণ’ প্ৰকল্পৰ নাম ল’ব পাৰি। জলবায়ু পৰিৱৰ্তন সম্বন্ধীয় বাতৰি প্ৰচাৰ, প্ৰভাৱ, অভিযোজন আৰু প্ৰশমণ কৰিবলৈ ২০১৮ বৰ্ষৰ পৰা এতিয়ালৈকে ছয় গৰাকী সাংবাদিকক (বাতৰি কাকত আৰু টেলিভিশ্বন) জলপানী দিয়া হৈছে।

ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগে ২০২১-২২ চনত জিলা পৰিষদ, খণ্ড উন্নয়ন, গ্ৰাম পঞ্চায়ত বিভিন্ন চৰকাৰী বিভাগ, যেনে বন, স্বাস্থ্য, কৃষি, জলসম্পদ, জলসিঞ্চন আদি বিভাগৰ বিষয়া আৰু কৰ্মচাৰীৰ মাজত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ, অভিযোজন (adaptation) আৰু প্ৰশমন (mitigation) সম্বন্ধে কৰা সজাগতামূলক কৰ্মশালাত পৰিষদে কাৰিকৰী সহযোগিতা আগবঢ়াইছিল। পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ (পৰিৱেশ তথ্য সজাগতা আৰু ক্ষমতা নিৰ্মাণ) ৰ লগত পৰিৱেশৰ সজাগতা আৰু সেউজ কৌশল বিকাশ আচনিৰ অধীনত প্ৰশিক্ষণৰ কাম কৰি আহিছে।

চৰকাৰে জলবায়ু পৰিৱৰ্তনৰ লগত মোকাবিলা কৰিবলৈ চৰকাৰী নীতিৰ ক্ষেত্ৰত অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তনৰ কাৰ্য্য পৰিকল্পনা ২০১৫-২০২০ আৰু ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্য্যসূচী ২.০ (২০২১-২০৩০) প্ৰস্তুত কৰে।

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ ‘ই’ক ক্লাব’ বোৰে শিক্ষানুষ্ঠানৰ ছাত্ৰ- ছাত্ৰীৰ যোগেদি পৰিৱেশ সম্বন্ধীয় সজাগতাৰ ক্ষেত্ৰত সহায় কৰি আহিছে।পৰিষদে জলবায়ু পৰিৱৰ্তনৰ লগত মোকাবিলা (অভিযোজন, প্ৰশমন আৰু সহনশীল - adaptation, mitigation & Resilient )

কৰিবলৈ মানাহ, কাজিৰঙাৰ দাঁতিকাষৰীয়া গাঁও আৰু মৰিগাঁও জিলাৰ হাতীমূৰীয়া অঞ্চলত সজাগতা আৰু জলবায়ু অনুকূল জীৱিকাৰ প্ৰচলনত সহায় কৰি আহিছে। এইক্ষেত্ৰত বনৰীয়া মৌ পালন আৰু প্ৰক্ৰিয়াকৰণ, হস্ততাঁত, কেঁচুসাৰ, সৌৰ শক্তিৰ দ্বাৰা বিজুলী উৎপাদনৰ (মানাহত ৬ খন স্কুল - ২ আৰু ১ কিলোৱাট) ব্যৱস্থা কৰা হৈছে। হাতী মানুহৰ সংঘাত প্ৰশমন আৰু বন আৰু জীৱবৈচিত্ৰৰ সংৰক্ষণৰ কাৰণে জড়িত স্বেচ্ছাসেৱক সকলক (৫০ জন) সৌৰ শক্তি চালিত টৰ্চ লাইট দিয়া হৈছে।

অসম চৰকাৰৰ উদ্যোগত পৰিষদে মুখ্যমন্ত্ৰীৰ জলবায়ু সহনশীল গাঁও ফেলশ্বিপ কাৰ্য্যসূচীৰ জৰিয়তে ১০০ জন ছাত্ৰ- ছাত্ৰীক ১০০ খন গাঁৱত জলবায়ু সম্বন্ধীয় গৱেষণা আৰু কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ জলপানীৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে প্ৰথম পৰ্যায়ত ৪৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৪৩ খন গাঁওত কাম কৰি আছে। এই কাৰ্যসূচীৰ দ্বিতীয় পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বাচনি প্ৰক্ৰিয়া চলি আছে।

অসমৰ দৰং, ধুবুৰী, তিনিচুকীয়া আৰু কৰিমগঞ্জ জিলাত জলবায়ু বিপন্নতাৰ (Climate Vulnerability) মূল্যায়নৰ কাম হাতত লোৱা হৈছে। অসমত জলবায়ু অভিযোজন (Adaptation) আৰু সহনশীলতাক (Resilience) মূখ্য কৰি পৰম্পৰাগত জ্ঞান ব্যৱস্থা আৰু পদ্ধতিৰ (Traditional Knowledge System and Practices) বিজ্ঞানসন্মত তথ্য আহৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। অসম চৰকাৰে Mission LiFE ৰ অধীনত ৰাজ্য ব্যাপি পৰিবেশৰ বাবে জীৱন শৈলীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০২৩ চনৰ ২২ মাৰ্চত A week for LiFE কাৰ্যসূচীৰ জৰিয়তে অসমত Mission LiFE ৰ শুভাৰম্ভ কৰিছিলে আৰু ইয়াৰ জৰিয়তে বিভিন্ন পৰ্য্যায়ত Mission LiFE ৰ কাৰ্যসূচী চলি আছে।

--------------------------------- x ---------------------------------